**ভাৰতীয় জনতা পাৰ্টি**

**(কেন্দ্ৰীয় কাৰ্য্যালয়)**

**১১,অশোকা ৰোড নতুন দিল্লী -১১০০০১**

**দূৰভাষ নং - ২৩০০৫৭০০; ফেক্স - ২৩০০৫৭৮৭**

দিনাংক - ২৯ জানুৱাৰী ২০১৪

## বি জে পি ৰ ৰাষ্ট্ৰীয় প্ৰৱক্তা, ডাঃ সুধাংশু ত্ৰিৱেদী ৰ প্ৰেছ বিজ্ঞপ্তিৰ মুখ্য বিষয়সমূহ

ইউ পি এ চৰকাৰৰ এনেধৰণৰ কুশাসন আৰু ভুল নীতি চলি থাকিলে সাধাৰণ জনতা আৰু সমাজৰ সকলো ভিন্ন ভিন্ন শ্ৰেণীৰ লোকসকলে কেৱল সমস্যাৰ সন্মুখীন হোৱাই নহয় তাৰ বাবে জনসাধাৰণৰ মনত উৎপন্ন হোৱা হতাশাই ক্ষোভ আৰু আক্ৰোশৰ ৰূপ ধাৰণ কৰিছে । আজি বিজ্ঞান ভৱনত প্ৰধানমন্ত্ৰীৰ ভাষনৰ সময়ত যি সংঘটিত হৈছিল সেইয়া হতাশা আৰু আক্ৰোশৰে ফলশ্ৰুতি আছিল ।

এই আক্ৰোশ আৰু অধিক বৃদ্ধি হৈছে কাৰণ যেনেধৰণেৰে ইউ পি এ চৰকাৰৰ দ্বাৰা সংবাদ মাধ্যমত বিভিন্ন বিজ্ঞাপন দিয়া হৈছে, ই চৰকাৰৰ অসংবেদনশীলতা আৰু ৰাজবংশীয় শৈলীৰ আত্মপ্ৰসংশাহে দেখুৱাইছে ।

আপোনাৰ হয়তো মনত আছে যে এই বিজ্ঞান ভৱনতে ২০০৮ চনত মাননীয় প্ৰধানমন্ত্ৰীয়ে কৈছিলে যে দেশৰ সম্পদৰ ওপৰত প্ৰথম অধিকাৰ মুছলিমৰ আছে । মাননীয় প্ৰধানমন্ত্ৰীৰ এই মন্তব্য ঘোৰ সাম্প্ৰদায়িক আৰু বিবাদিত আছিল । কিন্তু আজি ৬ বছৰৰ পাছত সংখ্যালঘূৰ যি পৰিস্থিতি হৈ আছে এই সকলোবোৰ ইয়াৰ প্ৰতি আক্ৰোশৰ পৰিচায়ক হয় । ইয়াৰ পৰা সাধাৰণ জনতা আৰু সংখ্যালঘূ সমূদায়ে নিজকে প্ৰৱঞ্চিত অনুভৱ কৰিছে ।

ইউ পি এ চৰকাৰৰ দ্বাৰা সংখ্যালঘূ লোকসকলৰ বাবে এতিয়ালৈকে বহুতো ডাঙৰ ডাঙৰ প্ৰতিশ্ৰুতি আৰু আচঁনি তৈয়াৰ কৰা হৈছে । ইয়াৰ ভিতৰলৈ ন'গৈ মই মুখ্য বিষয় সমূহৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিছো -

১/ সংসদৰ 'ৰবপঞ্চ শ্ৰণেজপবম - মচ্ছৰুমতওমদজ' ৰ স্থায়ী সমিতিয়ে ২০১৩ ৰ মে মাহত এখন প্ৰতিবেদন প্ৰস্তুত কৰিছিল য'ত স্পষ্টভাৱে উল্লেখ আছিল যে সামাজিক ন্যায়, শিক্ষা, স্বাস্থ্য ইত্যাদিক চকুত ৰাখি যিবোৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল তাৰ বহুত কমহে কাম কৰা হৈছে । সংখ্যালঘূ মন্ত্ৰালয়ক আৱণ্টিত ৩১৩৫ কোটি টকাৰ বাজেটৰ ধনৰ পৰা ৯৬৯ কোটি টকা অৰ্থাৎ ৩০ শতাংশ এতিয়াও খৰচ কৰিব পৰা নাই ।

ইউ পি এ চৰকাৰৰ ভোট বেংকৰ বাবে সংখ্যালঘূৰ উন্নতিৰ কাৰণে যি সচ্চৰ কমিটিৰ গঠন কৰা হৈছিল আৰু যি প্ৰতিবেদন পোৱা গৈছিল সেইয়া সংখ্যালঘূৰ পিছপৰা স্থিতিক পৰিলক্ষিত কৰাইছিল । ইয়াৰ বাবে দায়ী কোন ? ৬ বছৰৰ এন ডি এ চৰকাৰৰ কাৰ্য্যকাল নে ৫৬ বছৰীয়া কংগ্ৰেছৰ কাৰ্য্যকাল ?

দেশৰ জনসাধাৰণে জানিব বিচাৰিছে যে সংখ্যালঘূৰ আজিৰ দুৰ্দশাজনক স্থিতিৰ বাবে দায়ী কোন, ৬০ বছৰীয়া কংগ্ৰেছৰ কাৰ্য্যকাল নে ৬ বছৰৰ এন ডি এ চৰকাৰৰ কাৰ্য্যকাল ?

২/ আজি যেনেধৰণেৰে লখ্নৌত উত্তৰ প্ৰদেশৰ অখিলেখ চৰকাৰৰ দ্বাৰা প্ৰদৰ্শন কৰি থকা অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ছাত্ৰৰ ওপৰত বল প্ৰয়োগ কৰা হৈছে, ভাৰতীয় জনতা পাৰ্টিয়ে ইয়াৰ কঠোৰ ভাষাত গৰিহনা জনাইছে ।

(ই .জি.অৰুণ কুমাৰ জৈন)

কাৰ্য্যালয় সচীব